# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাঁচী বিমান বন্দৰৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে টাটা নগৰ পাটনাসহ ৬ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।
২। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দুদিনৰ পাছত মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।
৩। উত্তৰ প্ৰদেশৰ মীৰাটত এটা তিনিমহলীয়া ভৱন খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১০ লৈ বৃদ্ধি পাইছে।
৪। আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনাইছে। ***আৰু***
৫। নীৰজ চোপ্ৰাই ব্ৰুছেলছত অনুষ্ঠিত ডাইমণ্ড লীগ ফাইনেল প্ৰতিযোগিতাত দ্বিতীয় স্থান দখল কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাঁচী বিমান বন্দৰৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে টাটা নগৰ পাটনাসহ ৬ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। পূৰ্বতে জামছেদপুৰৰ পৰা এই বন্দে ভাৰত ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ কথা আছিল যদিও ধাৰাষাৰ বৰষুণৰ বাবে প্ৰধানমন্ত্ৰী জামছেদপুৰত উপস্থিত হব নোৱাৰাত ৰাঁচীৰ পৰাই ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীমোদী জামছেদপুৰলৈ ৰাওনা হোৱাৰ উদ্দেশে পুৱাৰ ভাগত ৰাঁচী বিমানবন্দৰত উপস্থিত হয় যদিও প্ৰতিকূল বতৰ আৰু দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে তেওঁৰ হেলিকপ্তাৰখনৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। তেওঁ লগতে ৬৬০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ঝাৰখণ্ডৰ কেইবাটাও ৰেল প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বন্দে ভাৰত ৰেলগাড়ীসমূহৰ চলাচলে ঝাৰখণ্ড আৰু চুবুৰীয়া ৰাজ্যসমূহকে ধৰি পূব ভাৰতৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক গতিবিধি ত্বৰান্বিত কৰিব। এই ৰেলগাড়ীসমূহে পৰ্যটন ক্ষেত্ৰৰ প্ৰসাৰতো সহায় কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰ ঝাৰখণ্ডৰ সৰ্বাঙ্গীন উন্নয়নৰ প্ৰতি বদ্ধপৰিকৰ। শ্ৰীমোদীয়ে লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীসকললৈ প্ৰথম কিস্তিৰ ধন মোকলাই দিয়ে। হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ ৩২ কোটি টকা ডিজিটেল ব্যৱস্থাৰে হস্তান্তৰিক কৰা হয়। ইয়াৰ উপৰি ৩২ হাজাৰ বাসগৃহৰ আৱণ্টনপত্ৰ বিতৰণ কৰা হয়। হিতাধিকাৰীসকলৰ বাবে নতুনকৈ নিৰ্মাণ কৰা ৪৬ হাজাৰ বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানো সম্পন্ন কৰা হয়। জনসাধাৰণক সম্বোধন কৰি শ্ৰীমোদীয়েকয় যে, পৰৱৰ্তী ৫ বছৰত ২ কোটি অতিৰিক্ত বাসগৃহ নিৰ্মাণ কৰা হব। তেওঁ

কয় যে, দেশৰ জনজাতীয়, বঞ্চিত, নিপিড়ীত, দলিত, দিব্যাংগ আৰু মহিলাসকলক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাই সংশ্লিষ্ট এলেকাসমূহৰ কাম-কাজ ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ইপিনে, প্ৰধানমন্ত্ৰীয়ে গোপাল ময়দানত আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে পথেৰে জামছেদপুৰলৈ বুলি ৰাওনা হৈছে।

০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দুদিনৰ পাছত মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে। তেওঁ কৈছে যে, অহা কেইদিনমানৰ ভিতৰত নতুন মুখ্যমন্ত্ৰী সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে আম আদমী পাৰ্টীৰ বিধায়কসকলৰ এখন বৈঠক অনুষ্ঠিত হব। শ্ৰীকেজৰিৱালে লগতে অহা বছৰ ফেব্ৰুৱাৰীত হবলগীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন নৱেম্বৰত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ সৈতে অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে। ৰাষ্ট্ৰীয় ৰাজধানীত থকা আম আদমী পাৰ্টীৰ কাৰ্যালয়ত দলীয় কৰ্মীক সম্বোধন কৰি শ্ৰীকেজৰিৱালে কয় যে, জনসাধাৰণে ৰায় নিদিয়ালৈকে তেওঁ মুখ্যমন্ত্ৰীৰ আসনত নবহে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে দিল্লী আৱকাৰী নীতি গোচৰত যোৱা শুকুৰবাৰে শ্ৰীকেজৰিৱালক জামিন প্ৰদান কৰিছে।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি ৰামদেউবাবা বিশ্ববিদ্যালয়ত ডিজিটেল অট্টালিকা মুকলি কৰাৰ উদ্দেশ্যে নাগপুৰ ভ্ৰমণ কৰিব। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ, মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাৰ্ণাৱীজো এই অনুষ্ঠানত উপস্থিত থাকিব। ১২ মহলীয়া এই ডিজিটেল অট্টালিকাটোত কম্পিউটাৰ ছায়েন্স আৰু বৰ্তমানৰ প্ৰযুক্তিসমূহৰ সৈতে সংগতি ৰাখি ডিজিটেল শ্ৰেণীকক্ষসমূহ উন্নত মানৰ সা-সজুলীৰে নিৰ্মাণ কৰি উলিওৱা হৈছে।

০০০

উত্তৰ প্ৰদেশৰ মীৰাটত এটা তিনিমহলীয়া ভৱন খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১০ লৈ বৃদ্ধি পাইছে। কালি সন্ধিয়া মীৰাটত জাকিয়া কলনিত এই ঘটনা সংঘটিত হৈছিল। আজি পুৱা উদ্ধাৰ অভিযানৰ সামৰণি পৰে আৰু ভৱনটোৰ ধ্বংসস্তুপ পৰিস্কাৰ কৰা হয়। ইপিনে, ধ্বংসাৱশেষৰ মাজৰ পৰা উদ্ধাৰ কৰা ৫ জন লোকক স্থানান্তৰিত কৰা হয়। মীৰাটত জিলা দণ্ডাধীশে জনোৱা অনুসৰি ভৱনটো খহি পৰাৰ সময়ত তাত ১৫ জন লোক আছিল। এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ উদ্ধাৰকাৰী দলসমূহে পৰিষ্কাৰ কৰি মুকলি কৰাৰ বাবে সমগ্ৰ নিশাজুৰি কাম অব্যাহত ৰাখে।

০০০

কেৰালাত আজি ৰাজ্যখনৰ সৰ্ববৃহৎ সাংস্কৃতিক উৎসৱ অ'নাম পালন কৰা হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা কেৰালাৰ লোকসকলে সম্পূৰ্ণ উৎসাহ উদ্দীপনাৰে এই উৎসৱ পালন কৰিছে।

ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে অ'নাম উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে তেওঁৰ বাৰ্তাত কয় যে অ'নাম কেৰালাৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা উদযাপনৰ এটা উপলক্ষ্য। তেওঁ কয় যে, শস্য চপোৱা পৰ্বৰ সৈতে সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয় আৰু এয়া ৰাজ্যখনৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা উদ্যাপন কৰাৰ উত্তম সময়। সমৃদ্ধিৰ এই উৎসৱে সামাজিক সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰে বুলিও ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ বাৰ্তাত কয় যে, এই উৎসৱে পৰম্পৰাৰ জৰিয়তে বিভিন্ন সম্প্ৰদায়ক একতাৰ ডোলেৰে বান্ধে আৰু আমাক সকলোকে দয়া, কৰুণা,

ত্যাগৰ লেখিয়া শ্বাস্বত প্ৰমূল্যসমূহৰ কথা সোঁৱৰাই দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত এইবুলি আশা প্ৰকাশ কৰে এই উৎসৱে যেন সকলোৰে জীৱনলৈ শান্তি, সমৃদ্ধি আৰু কল্যাণৰ বতৰা কঢ়িয়াই আনে। শ্ৰীমোদীয়ে কয় যে, বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা মালায়ালি সম্প্ৰদায়ে আনন্দ উৎসাহেৰে এই উৎসৱ পালন কৰে।

০০০

আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে ১৫ চেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰগতি, উদ্ভাৱন আৰু জটিল প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত অভিযন্তাসকলৰ অৱদানৰ কথা স্বীকাৰ কৰে। ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে, অভিযান্ত্ৰিক ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা অৱদানে আজিও লাখ লাখ লোকক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে অভিযন্তা দিৱস উপলক্ষে এটা বিশেষ ভিডিঅ' শ্বেয়াৰ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে প্ৰযুক্তিৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাই কয় যে, বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অভিযন্তাসকল এখন দেশৰ মেৰুদণ্ডস্বৰূপ। প্ৰগতিৰ দিশে অগ্ৰসৰ ভৱিষ্যত গঢ়াৰ দিশত অভিযন্তাসকলৰ অৱদানৰ বিষয়েও তেওঁ উল্লেখ কৰে। শ্ৰীশ্বাহে লগতে ভাৰতৰত্ন ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ দেখুৱাই যোৱা আদৰ্শৰে দেশৰ ভৱিষ্যত গঢ়াৰ কমাৰশাল বৰ্তমানৰ অভিযন্তাসকল অনুপ্ৰাণিত হ'ব পাৰিব বুলি উল্লেখ কৰে।

০০০

চতুৰ্থ গোলকীয় জৈৱ ভাৰত ২০২৪ সন্মিলন কালি নতুন দিল্লীত সফলতাৰে সম্পন্ন হয়। এই তিনিদিনীয়া সন্মিলনৰ মূল বিষয়বস্তু আছিল জৈৱ প্ৰযুক্তিগত উদ্ভাৱন আৰু জৈৱ সামগ্ৰী নিৰ্মাণৰ সম্ভাৱনা আৰু জৈৱ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ। দেশৰ জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰৰ কেইবাটাও ষ্টাৰ্ট আপ প্ৰতিষ্ঠানে এই সন্মিলনত ১১ বিধ সা-সামগ্ৰী মুকলি কৰে। এই প্ৰদৰ্শনীত জৈৱ বিজ্ঞানৰ ক্ষেত্ৰত দেশৰ উদীয়মান প্ৰতিভাৰ প্ৰদৰ্শন কৰা হয়।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে আজি ধাৰাষাৰ বৰষুণ হব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে কৈছে যে, পশ্চিমবংগৰ গংগা নৈৰ আশ পাশৰ এলেকাসমূহত সৃষ্টি হোৱা গভীৰ নিম্নচাপ ক্ৰমান্বয়ে পশ্চিম দিশলৈ গতি কৰাত আৰু বিয়লিৰ ভাগলৈ ইয়াৰ প্ৰাৱল্য গভীৰ হৈ থকাৰ সম্ভাৱনা আছে।

০০০

মহাৰাষ্ট্ৰৰ ধুলে জিলাত আজি পুৱা হোৱা এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱাই আৰু অন্য ৪ জন আহত হয়। এখন ব্যক্তিগত যাত্ৰীবাহন আৰু এখন ভেনৰ মাজত হোৱা মুখামুখি সংঘৰ্ষত এই লোককেইজন হতাহত হয়। নিহত সকলৰ ভিতৰত ৩ গৰাকী মহিলাও আছে।

০০০

নীৰজ চোপ্ৰাই যোৱা নিশা ব্ৰুছেলছত অনুষ্ঠিত ডাইমণ্ড লীগ ফাইনেল প্ৰতিযোগিতাৰ পুৰুষৰ জেভলীন থ্ৰোত দ্বিতীয় স্থান দখল কৰে। খেলুৱৈগৰাকীয়ে ৮৭ দশমিক ৮-৬ মিটাৰলৈ জেভলীন নিক্ষেপ কৰি এই কৃতিত্ব

অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে মাত্ৰ ১ ছেণ্টিমিটাৰৰ বাবে প্ৰথম স্থান দখল কৰাত ব্যৰ্থ হয়। পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা এণ্ডাৰচন পিটাৰ্ছে ৮৭ দশমিক ৮-৭ মিটাৰলৈ জেভলীন নিক্ষেপ কৰি শীৰ্ষস্থান দখল কৰে। জাৰ্মানীৰ জুলিয়ান ৰেবাৰে ৮৫ দশমিক ৯-৭ মিটাৰলৈ জেভলীন নিক্ষেপ কৰি তৃতীয় স্থান লাভ কৰে।

ooo

সমাপ্ত